# বি এইচ কলেজ : নামভৰ্তিৰ জাননী

ইয়াৰ দ্বাৰা সংশ্লিষ্ট সকলোৰে জ্ঞাতাৰ্থে জনোৱা যায় যে আন আন বছৰৰ দৰে এই বছৰো বি এইচ কলেজত নামভৰ্তিৰ বাবে অভিলেখসংখ্যক আবেদন জমা পৰিছে। উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক শ্ৰেণীৰ  কলা শাখাৰ বাবে ৮১৪, বিজ্ঞান শাখাৰ বাবে ৬১৪, আৰু বাণিজ্য শাখাৰ বাবে ৪০১ খন আবেদন জমা পৰিছে। উল্লেখ্য যে এই তিনিওটা শ্ৰেণীতে মুঠ আসনৰ সংখ্যা বৰ্তমানৰ ১৫০ ৰ পৰা ২০০ লৈ বৃদ্ধি কৰা হৈছে। উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক শ্ৰেণীত নামভৰ্তিৰ বাবে আবেদন কৰা সকলো শিক্ষাৰ্থীয়ে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ পৰ্টেল www.darpan.ahseconline.in ত পুনৰ আবেদন কৰিব লাগিব। অন্যথা তেওঁলোকৰ নামভৰ্তিৰ আবেদন বিবেচিত নহব।

স্নাতক শ্ৰেণীত কলা শাখাৰ বাবে মুঠ ১৭১৯, বিজ্ঞান শাখাৰ বাবে মুঠ ১৩২৪, আৰু বাণিজ্য শাখাৰ বাবে মুঠ

১০১৬ খন আবেদন জমা পৰিছে। এই তিনিওটা শাখাতে আসনৰ সংখ্যা বৃদ্ধি কৰা হৈছে। কলা শাখাত ৪০০ ৰ পৰা ৪৫০, বিজ্ঞান শাখাত ২৫০ ৰ পৰা ৩০০, আৰু বাণিজ্য শাখাত ৩০০ ৰ পৰা ৩৫০ লৈকে আসন সংখ্যা বৃদ্ধি কৰা হৈছে। তৎসত্বেও বহু শিক্ষাৰ্থীক বি এইচ কলেজে নামভৰ্তিৰ সুবিধা দিব নোৱাৰিব। যিসকল শিক্ষাৰ্থীয়ে বি এইচ কলেজৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈছে তেওঁলোকৰ যদি নামভৰ্তিৰ বাবে প্ৰয়োজনীয় ন্যূনতম নম্বৰ থাকে তেন্তে তেওঁলোকক অগ্ৰাধিকাৰ প্ৰদান কৰা হব। অৱশিষ্ট আসনসমূহত মেধাৰ ভিত্তিত আৰু নিৰ্ধাৰিত কোটাৰ ভিত্তিত নামভৰ্তিৰ ব্যৱস্থা কৰা হব।

বৰ্তমান আবেদন পত্ৰসমূহ পৰীক্ষা কৰি থকা হৈছে আৰু অহা ১৬ আগষ্ট তাৰিখে স্নাতক শ্ৰেণীৰ মেধা তালিকা (Merit List) কলেজৰ ৱেবছাইটযোগে প্ৰকাশ কৰা হব। মেধা তালিকাত নাম থকা মানেই নামভৰ্তি নুবুজায়। বিভিন্ন বিভাগত থকা আসন অনুযায়ীহে নামভৰ্তি হব। উচ্চতৰ

মাধ্যমিক শ্ৰেণীৰ নামভৰ্তি অসম চৰকাৰৰ ঘোষণা অনুযায়ীহে হব।

বি এইচ কলেজত নামভৰ্তিৰ বাবে অভিলখসংখ্যক আবেদন জমা হোৱাত কলেজ কৰ্তৃপক্ষই সংশ্লিষ্ট সকলোৰে প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে।

অধ্যক্ষ

বি এইচ কলেজ, হাউলী

Principal
B.H. College, Howly